بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছীহ পঞ্চম (আইঃ) য়ে ২০১৮চনৰ ১২ জানুৱাৰীত মছজিদ বায়তুল ফতুহ লণ্ডনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

চাহাবা সকলৰ দৃষ্টান্ত লক্ষ্য কৰক ; দৰাচলতে চাহাবা সকলৰ আদৰ্শ আম্বিয়া সকলে এৰি থৈ যোৱা দৃষ্টান্তৰ দৰে। তেওঁলোকে ছাগলীৰ দৰে প্ৰাণ আহুতি দিছিল। চাহাবা সকলৰ জমাত আছিল আশ্চৰ্যজনক আৰু তাৰ আনুগত্য কৰাৰ যোগ্য জমাত। তেওঁলোকৰ হৃদয় আছিল বিশ্বাসেৰে ভৰপুৰ।

---

কোৰ-আন কৰিমত আল্লাহ তায়লা কৈছে যে-তেওঁলোক কোনো ব্যাৱসায়,বানিজ্য,বেচা-কিনায় আল্লাহৰ জিকিৰৰ পৰা আতঁৰ কৰিব নোৱাৰিছিল।

---

এইখন আয়াতেই চাহাবা সকলৰ সত্যায়ন যথেষ্ট যে তেওঁলোকে ডাঙৰ ডাঙৰ পৰিবৰ্তন সাধিত কৰিছিল। চাহাবাইকৰাম ৰিজুৱানুল্লাহে আলায়হিমে আল্লাহ তায়লাৰ সৈতে প্ৰকৃত সম্পৰ্ক গঢ়িছিল যত কোনো প্ৰশ্নই নাছিল যে তেওঁলোকে কোনো পথ্যেই আল্লাহ তায়লাৰ পৰা আতঁৰি যাব পাৰে বা কোনো দৰণৰ কোৰবাণী কৰাত কুণ্ঠাবোধ কৰিব পাৰে।

তাশ্বাহুদ তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; হজৰত মছিহ মাওউদ (আঃ) য়ে আঁহজৰত (ছাঃ) ৰ পৱিত্ৰ আধ্যাত্মিক শক্তি সম্পৰ্কে উল্লেখ কৰিবলৈ গৈ কয় যে তেখেত (ছাঃ) ৰ পৱিত্ৰ আধ্যাত্মিক শক্তি এনেকুৱা আছিল যে পৃথিৱীত অইন কোনো নবীৰেই তেনেকুৱা শক্তি নাছিল। ইছলামৰ উন্নতিৰ মূল ৰহস্য হ'ল এয়া যে নবী কৰিম (ছাঃ) ৰ পাক পৰাক্ৰমৰ আকৰ্ষণ বৰ শক্তিশালী আছিল আৰু তেখেত (ছাঃ) ৰ কথাৰ মাধুৰ্যতাত সকলোৱে মুগ্ধ হৈছিল।

আঁহজৰত (ছাঃ) য়ে কেনেদৰে নিজৰ চাহাবা সকলৰ মাজত কেনেধৰণৰ পৰিবৰ্ত্তনৰ জন্ম দিছিল সেই বিষয়ে বৰ্ণাবলৈ গৈ কয় যে চাহাবা সকলৰ মাজত কোনেও মিছলীয়া নাছিল যদিও তেতিয়া আৰবৰ অৱস্থা নৈতিক অন্ধকাৰত নিপতিত আছিল। সকলোৱে মুৰ্ত্তি পূজাত লিপ্ত আছিল। এতিমৰ ধন আত্মসাৎ কৰিছিল আৰু বেয়া কামত লিপ্ত আছিল। ডকাইতৰ নিচিনা জীৱণ যাপন কৰিছিল। কিন্তু তেখেত (ছাঃ) য়ে সিহঁতৰ মাজত এনেকুৱা জাগৰণৰ জন্ম দিছিল যে যাৰ তুলনা অইন কোনো জাতিৰ মাজত দেখিবলৈ পোৱা নাযায়। হজৰত মছিহ মাওউদ (আঃ) য়ে কয় যে এজন মানুহক সংশোধনলৈ অনা বহুত কঠিন কিন্তু তেখেত (ছাঃ) য়ে এটা জাতিৰ সংশোধন জাগৰিত কৰিছিল যিসকলে পিছত ঈমান আৰু একাগ্ৰতাৰ আদৰ্শ স্থাপন কৰিছিল যে ভেড়া-ছাগলীৰ দৰে এই সত্যৰ বাবে প্ৰাণ আহুতি দিছিল। ৰছুলুল্লাহ (ছাঃ) ৰ শিক্ষা আৰু হিদায়েতে তেওঁলোকক স্বৰ্গৰ চৰম মাৰ্গলৈ লৈ গৈছিল। পাক গুণাৱলী সিহঁতৰ মাজত জন্ম লৈছিল। এইবোৰ আদৰ্শ আমি জগতবাসীৰ আগত দাঙি ধৰিব লাগিব। এয়াই আছিল ইছলাম আৰু হিদায়েতৰ কাৰণ যাৰ বাবে আল্লাহ তায়লা ভৱিষ্যত বাণী স্বৰূপে আঁহজৰত (ছাঃ) ৰ নাম মহম্মদ ৰাখিছিল যাৰ দ্বাৰা ভূপৃষ্ঠত তেখেত (ছাঃ) প্ৰশংসিত হৈছে কাৰণ তেখেত (ছাঃ) য়ে ভূপৃষ্ঠক পৱিত্ৰ, শান্তিকামী পূন্যবান সকলৰ দ্বাৰা ভৰাই তুলিছে।

চাহাবা সকলৰ অ-সাধাৰণ মৰ্যদাৰ স্থান আৰু পৰিবৰ্তন সম্পৰ্কে হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে;

চাহাবা সকলৰ দৃষ্টান্ত লক্ষ্য কৰা; দৰাচলতে চাহাবা সকলৰ আদৰ্শ সকলো আম্বিয়া সকলে এৰি থৈ যোৱা দৃষ্টান্তৰ দৰে। খোদা তায়লা একমাত্ৰ আমল পছন্দ কৰে, তেওঁলোকে ছাগলীৰ দৰে প্ৰাণ আহুতি দিছিল। তেওঁলোকৰ উদাহৰণ এনেকুৱা যে যেনেকৈ নবুয়তৰ এক প্ৰতিচ্ছবি আদম (আঃ) ৰ পৰা চলি আহিছে। কিন্তু তেওঁলোকে সেয়া বুজি পোৱা নাছিল, কিন্তু চাহাবা সকলে চমকাই দেখুৱাইছিল আৰু কৈছিল যে সততা আৰু আনুগত্য কাক কয়? আকৌ তেওঁলোকে যি আৰাম বিহীন জীৱণ অতিবাহিত কৰিছিল তাৰ দৃষ্টান্ত কতো দেখিবলৈ পোৱা নেযায়। চাহাবা সকলৰ জামাত আছিল আশ্বৰ্যজনক আৰু তাৰ আনুগত্য কৰাৰ যোগ্য জমাত। তেওঁলোকৰ হৃদয় আছিল বিশ্বাসেৰে ভৰপুৰ। যেতিয়া বিশ্বাস উপজে তেতিয়া লাহে লাহে আগত ধনমাল দান কৰাৰ হেপাহ উপজে। যেতিয়া সেয়া বাঢ়ি যায় তেতিয়া বিশ্বাসত খোদাৰ বাটত প্ৰাণ দিবলৈ সাজু হৈ যায়। আকৌ চাহাবা সকলৰ ফজিলত বৰ্ণাবলৈ গৈ হজৰত মছিহ মাওউদ (আঃ) য়ে কয় যে, لَا تُلْهِيْهِمْ تِجَارَةٌ وَّلَا بَيْعٌ عَنْ ذِكْرِ اللهِ-

কোৰ'আন শ্বৰিফত আল্লাহ তায়লা কৈছে যে; তেওঁলোকক কোনো ব্যাৱসায় বাণিজ্য, বেচা-কিনায় আল্লাহৰ জিকিৰৰ পৰা আঁতৰ কৰিব নোৱাৰিছিল। এইখন আয়াতেই চাহাবা সকলৰ সত্যায়ণত যথেষ্ট যে তেওঁলোকে ডাঙৰ-ডাঙৰ পৰিবৰ্ত্তন নিজৰ মাজত সাধিত কৰিছিল। উল্লেখ কৰে যে তেওঁলোক এনে পুৰুষ আছিল যে ব্যৱসায় বাণিজ্যই তেওঁলোকক ইলাহি স্মৰণত বাধা দিব নোৱাৰিছিল । অৰ্থাৎ খোদাৰ প্ৰেমত তেওঁলোক ইমানেই মচগুল আছিল যে পাৰ্থিব সমস্যা যিমানেই প্ৰবল নহৈছিল কিয় তেওঁলোকৰ অৱস্থাৰ কোনো ক্ষতি কৰিব নোৱাৰিছিল।

চাহাবা ইকৰাম ৰিজুৱানুল্লাহে আলায়হিমে আল্লাহ তায়লাৰ সৈতে প্ৰকৃত সম্পৰ্ক গঢ়িছিল য'ত কোনো প্ৰশ্ৰই নাছিল যে তেওঁলোকে কোনো পথ্যেই আল্লাহ তায়লাৰ পৰা আঁতৰি যাব পাৰে বা কোনো ধৰণৰ কোৰবাণী কৰাত কুণ্ঠাবোধ কৰিব পাৰে।

হজৰত খাববাৰ বিন আলাৰতৰ বিষয়ে উল্লেখ আছে যে যেতিয়া তেখেতৰ মৃত্যুৰ সময় ঘনাই আহিছিল তেতিয়া তেখেতে নিজৰ কাফন দেখিব বিচাৰিছিল, সেয়া বৰ দামী কাপোৰৰ কাফন আছিল। সেয়া চাই তেখেত নিজৰ আত্মীয় সকলক কৈছিল যে ইমান ভাল কাপোৰ মোৰ কাফন হিচাপে দিবানে ? আৰু কান্দি কান্দি কৈছিল যে ৰছুলুল্লাহ (ছাঃ) ৰ খুৰা হজৰত হামজা (ৰাঃ) ক এখন চাদৰ কাফন হিচাপে মিলিছিল, সেয়া ইমানেই সৰু আছিল যে মূৰ ঢাকিবলৈ গলে ভৰি ওলাই পৰিছিল, আকৌ ভৰি ঢাকিবলৈ গলে মূৰ ওলাই গৈছিল। তেতিয়া ৰছুলুল্লাহ (ছাঃ) ৰ নিৰ্দেশ অনুসৰি ভৰি দুখন ঘাঁহ বনেৰে ঢাকি দিয়া হৈছিল। আকৌ তেখেতে বৰ ভয়াতুৰ হৈ কৈছিল যে মই ৰছুলে কৰিম (ছাঃ) ৰ যুগত এক ডিনাৰ অথবা দেৰহামৰও মালিক নাছিলো আৰু আজি ৰছুলে কৰিম (ছাঃ) ৰ কল্যাণৰ বৰকতত আল্লাহ তায়লাৰ পুৰুস্কাৰৰ কাৰণে, সেই কোৰবাণী সমুহ কবুল হোৱাৰ বাবে মোক আল্লাহ তায়লা ইমান ধন ভাণ্ডাৰ দান কৰিছে যে মোৰ ঘৰৰ চুকত পৰি থকা চন্দুকত চল্লিশ হাজাৰ দেৰ হাম জমা আছে। লগতে আৰু কয় যে আল্লাহ তায়লা যে মোক ইমান দান কৰিছে, মোৰ ভয় লাগে যে, এয়াতো নহয় যে আল্লাহ তায়লা মোৰ আমলৰ ফলএই জগততেই দি দিয়া নাইতো ! পৰকালত মোক সেইবোৰৰ ফলা-ফলৰ পৰা বঞ্চিত কৰা নহয়তো ! আৰু কয় যে সেই লোক সকল, যি সকলে আমাৰ আগত গুচি গৈছে তেওঁলোকে জাগতিক ধন-সম্পদৰ পৰা আৰাম লোৱা আছিল যাৰ পৰা আমি লৈ আছো।

আন এজন চাহাবা আছিল মা'আজ বিন জাবল। তেখেত তাহাজ্জুদ আৰু দীঘলীয়া ইবাদতকাৰী আছিল। তাহাজ্জুদ নমাজত তেখেতে আল্লাহ তায়লাৰ ওচৰত প্ৰাৰ্থনা কৰিছিল যে হে মোৰ মাওলা এতিয়া সকলোৱে শুই পৰিছে, চকু মুদিছে, হে আল্লাহ তুমিয়েই জাগ্ৰত, তোমাৰ পৰা জান্নাত বিচাৰিছো। কিন্তু মই ইবাদতৰ ক্ষেত্ৰত অতিকৈ অলস, দুৰ্বল আৰু অগ্নিৰ পৰা আঁতৰি যোৱাত অপৰাগ। কিন্তু মই জানো যে জাহান্নামৰ অগ্নি আছে তাৰ পৰা ৰক্ষা পৰিবলৈ নেকি কৰিব লাগিব। কিন্তু মই তাৰ পৰা ৰক্ষা পৰিবলৈ বহুত দুৰ্বল। হে আল্লাহ তুমি মোক তোমাৰ ফালৰ পৰা হিদায়েত দন কৰা।

অহুদৰ যুদ্ধত সংগঠিত হোৱা হজৰত তালহাৰ প্ৰেম-ভাল পোৱাৰ কাহিনী এনেদৰে উল্লেখ আছে যে তেখেতে নিজৰ হাত আঁহজৰত (ছাঃ) ৰ মুখ মণ্ডলৰ সন্মুখত এনেকৈ ৰাখিছিল যাতে শত্ৰুৰ তীৰ তেখেত (ছাঃ) ৰ গাত আহি

লাগিব নোৱাৰে। এনেদৰে সুমাছ (ৰাঃ) আঁহজৰত (ছাঃ) ৰ সন্মুখত আহি থিয় দিছিল আৰু সকলো আক্ৰমন নিজৰ ওপৰত লৈ লৈছিল। আঁহজৰত (ছাঃ) য়ে হজৰত সুমাছৰ বিষয়ে কৈছে যে, যদি মই সুমাছক কিহবাৰ সৈতে তুলনা কৰো তেন্তে ঢালৰ সৈতে তুলনা কৰিম। তেওঁ অহুদৰ যুদ্ধত মোৰ বাবে এখন ঢাল স্বৰূপ হৈ গৈছিল। তেওঁ মোৰ সোৰে-বাওঁৰে, আগে-পিছে ৰক্ষা কৰি শেষ নিশ্বাসলৈ যুদ্ধ চলাই গৈছিল।

সত্য কথা কোৱা আৰু কাকো ভয় নকৰা চাহাবা সকলৰ নীতি আছিল। উল্লেখ আছে যে এবাৰ আমিৰ মোৱাবিয়াৰ নিযুক্ত এজন গভৰ্ণৰ জামে মছজিদত বহি আছিল এনেতে হজৰত ছায়েদ তালৈ আহে। গভৰ্ণৰ জনে তেখেতক সন্মানৰ সৈতে অভিবাদন জনাই নিজৰ লগতে বহিবলৈ দিয়ে। সেই সময় খিনিতেই কোফাৰ এজন ব্যক্তি তালৈ আহে আৰু হজৰত আলীক সমালোচনা কৰিবলৈ আৰম্ভ কৰে। হজৰত ছায়েদ তালৈ বৰ বেজাৰ পায় আৰু কয় যে মই আঁহজৰত (ছাঃ) ৰ ওচৰত শুনিছো যে হজৰত আবু বক্কৰ, ওমৰ, ওচমান, আলী, তালহা, জাবিৰ বিন আউৱাম, ছায়াদ, আব্দুৰ ৰহমান বিন অউফ, আদি জান্নাতত যাব। দহ নম্বৰত এজন আছে তাৰ নাম মই লোবা নাই। কিন্তু যেতিয়া জোৰ দি ধৰা হয় তেতিয়া কয় যে দহ নম্বৰত আছো মই। অৰ্থাৎ ছায়েদ বিন জায়েদ। তেখেত (ছাঃ) ৰ পৰা উল্লেখ আছে যে আটাইতকৈ ডাঙৰ সুদ অৰ্থাৎ হাৰাম বস্তু হ'ল মুছলমানৰ সন্মানৰ ওপৰত অন্যায় বিৰ্তক উঠোৱা। সেই বস্তুবোৰ আজি মুছলমান সকলে পাহৰি গৈছে বৰং দেখিবলৈ পোৱা গৈছে যে সৰুৰ পৰা ডাঙৰলৈ মুছলমানে মুছলমানৰ সন্মানৰ ওপৰত নিজৰ লাভৰ বাবে আক্ৰমন চলায়।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে, প্ৰত্যেকজন চাহাবাৰ নিজা-নিজা কিছুমান ধাৰণা আছিল। এবাৰ হজৰত ওমৰ (ৰাঃ) য়ে হজৰত ছোহেব (ৰাঃ) ক কয় যে তুমি সদায় মানুহক পানাহাৰ কৰোৱা মোৰ তালৈ বৰ ভয় লাগে যে তাত কোনোঅপব্যয় নহয় তো ! হজৰত চোহেব তাৰ উত্তৰ দিয়ে যে মই আঁহজৰত (ছাঃ) ৰ নিৰ্দেশ মৰ্মেই এই পানাহাৰ কৰাওঁ। তেখেত (ছাঃ) য়ে কৈছে যে তোমালোকৰ মাজত উত্তম হ'ল সেইজন যিজনে লোকক আহাৰ খুওৱায় আৰু ছালাম প্ৰচলিত ৰাখে। ছোহেব কয় যে মই এই উপদেশ মানি লৈছো আৰু মই জায়েজ হ'ক মালৰ বাহিৰে খৰচ নকৰো। হজৰত চোহেবৰ মৰ্যদা হজৰত ওমৰৰ দৃষ্টিত বৰ ডাঙৰ আছিল সেয়ে হজৰত ওমৰ (ৰাঃ) য়ে নিজৰ জানাজা হজৰত ছোহেবৰ দ্বাৰা পঢ়াৰ অচিয়ত কৰি থৈ গৈছিল আৰু যেতিয়ালৈকে আগৰ খলিফা নিযুক্ত নহয় নমাজৰ ইমামতি তেখেতই কৰি গৈছিল।

হজৰত উছামা আঁহজৰত (ছাঃ) য়ে মুক্তি দিয়া গোলাম হজৰত জায়েদৰ পুত্ৰ আছিল। হজৰত উছামা সেই সৌভাগ্যশীল আছিল যাক আঁহজৰত (ছাঃ) য়ে নিজৰ ভালপোৱাৰ চনদ দিছিল। কিন্তু তৰবিয়ত আৰু ধৰ্মীয় বিষয়ত একমাত্ৰ আল্লাহৰ নিৰ্দেশ মানি নিজাববীয়া ভালপোৱা ত্যাগ কৰা হয়। এটা ঘটনা এনেকুৱা আছে যে যুদ্ধৰ ময়দানত এজন কাফিৰে উছামাৰ আগত কলিমা পাঠ কৰা সত্বেও উছামা তাক হত্যা কৰি পেলায় কাৰণ ভাবিছিল যে তেওঁ মৃত্যুৰ ভয়ত কলিমা পাঠ কৰি আছে। উছামা যেতিয়া এই ঘটনা আঁহজৰত (ছাঃ) ৰ আগত বৰ্ণনা কৰে তেতিয়া তেখেত (ছাঃ) য়ে কৈছিল যে তুমি সেই ব্যক্তি জনক কলিমা পঢ়াৰ পিছত হত্যা কৰিছানে ? উছামা উত্তৰত কৈছিল যে তেওঁ হাৰি যাবলৈ কলিমা পঢ়িছিল। তেতিয়া আঁহজৰত (ছাঃ) য়ে কৈছিল যে তুমি তাৰ হৃদয় ফালি দেখিছিলানে ? আকৌ প্ৰশ্ন কৰে যে তুমি তাক কলিমা শ্বাহাদত পঢ়া সত্বেও হত্যা কৰিছানে ? উছামা কৈছে যে আঁহজৰত (ছাঃ) য়ে এই বাক্য শাৰী ইমান বাৰ কৈছিল যে মোৰ ভাৰ হৈছিল  মই যদি আজিৰ আগতে মুছলমান নাথাকিলোহেতেন উছামা কৈছে যে মই শপত কৰিছিলো যে ভৱিষ্যতত কেতিয়াও কোনো ব্যক্তিক যিজনে লা ইলাহা ইল্লাল্লাহ পঢ়িব তাক হত্যা নকৰো।

এইবোৰ কথা যেন আজিৰ মুছলমান সকলে বুজি পায়। ইছলামৰ নাম লৈ অইনৰ ওপৰত যি জুলুম আছে, সেয়া তো কৰিয়ে আছে, আকৌ মুছলমানে মুছলমানক হত্যা কৰি আছে। এতিয়া শামত যুদ্ধ চলি আছে তাত লাখ-লাখ মানুহক হত্যা কৰা হৈছে। এজন কলিমা পাঠকৰোঁতাক আন এজন কলিমা পঢ়োতাক হত্যা কৰিছে। ইয়ামিনতো তেনেকুৱা মৰামৰি চলি আছে। জুলুম অত্যাচাৰ চলাই যোৱা হৈছে। আল্লাহ তায়লা সেই মুছলমান সকলক প্ৰজ্ঞা দান কৰক। যাতে তেওঁলোকে কেৱল ৰছল নামৰ ধ্বনি নলগায় বৰং তেওঁলোকৰ আমলৰ দৰে যেন আমল কৰোঁতা

হয়।কিন্তু আচল কথা হ’ল এই লোক সকলে ইছলামৰ নামত দম্ভালি মাৰে অথচ ইছলামৰ আলিফ, বা পৰ্যন্ত নাজানে। নিজৰ অহমিকা প্ৰমাণ কৰাৰ চেষ্টা মাত্ৰ কৰে। মুখত আল্লাহ তায়লাৰ নাম কিন্তু হৃদয়ত কেৱল মাত্ৰ নিজে নিজে। এই যুগত পৃথিৱীত আল্লাহ তায়লা প্ৰকৃত তাকওয়া জন্ম দিয়াৰ বাবে হজৰত মছিহ মাওউদ (আঃ) ক পঠাইছে। গতিকে সেই মুছলমান সকলৰ অৱস্থায় বুজায় যে তেওঁলোকৰ সংশোধন নহয় যেতিয়ালৈকে যুগৰ মছিহক গ্ৰহন নকৰে। আমি শুকুৰ গুজাৰি কৰা উচিত যে আল্লাহ তায়লা আমাক সেই পথ-প্ৰদৰ্শকক মানি লোৱাৰ তৌফিক দান কৰিছে যাক আঁহজৰত (ছাঃ) ৰ সত্য প্ৰাণ দাস হিচাপে এই যুগত পঠাইছে। তেখেত (আঃ) য়ে আমাক চাহাবা সকলৰ মৰ্যদা আৰু স্থান সম্পৰ্কে বুজাইছে। তেওঁলোকক অনুসৰণ কৰিবলৈ কৈছে। আমি চাহাবা সকলৰ জীৱণাদৰ্শ বুজি লৈ তেখেত সকলৰ দৰে চলিবলৈ চেষ্টা কৰা উচিত।

আল্লাহ তায়লা আমাক তেখেত (আঃ) ৰ নিৰ্দেশৰ ওপৰত আমল কৰাৰ তৌফিক দান কৰক যাতে আমি আল্লাহ আৰু ৰছুলৰ প্ৰকৃত আনুগত্যকাৰী হৈ সকলো নিৰ্দেশৰ ওপৰত আমল কৰোঁতা হওঁ। খোতবা জুমাৰ শেষত হুযুৰ আনোৱাৰ (আইঃ) য়ে মকৰৰমা আমতুল মুজিদ আহমদ চাহিবাৰ উপস্থিত জানাজা পঢ়াৰ ঘোষণা কৰে। ৯ জানুৱাৰী ২০১৮ চনত তাইৰ মৃত্যু হয়। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন।

*********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 12 January 2018**

**BOOK POST (PRINTED MATTER)**

**To**

---------------------------------------------------------------------------------
---------------------------------------------------------------------------------
---------------------------------------------------------------------------------
---------------------------------------------------------------------------------

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/N- IV, Bongaigaon Assam 783384. # 7086177737